# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-03-2024
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*
**- - - - - - -**

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যৰ তেল শোধনাগাৰসমূহৰ উৎপাদন ক্ষমতা শীঘ্ৰে দুগুণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে। দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২ টা বৃহৎ প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। যোৰহাটৰ মেলেং মেটেলীত আয়োজিত বিশেষ অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ১৫ হাজাৰ ১০০ কোটি টকা ব্যয়সাপেক্ষ ৭টা প্ৰকল্পৰ উদ্বোধন আৰু দুহেজাৰ ৪০০ কোটি টকা ব্যয়সাপেক্ষ ৫টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে মুঠ ৮ হাজাৰ ৫০০ কোটি টকা ব্যয়েৰে প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত নিৰ্মাণ কৰা ৫ লাখ ৫৫ হাজাৰ ৫৫৫টা আবাসগৃহত আনুষ্ঠানিকভাৱে গৃহপ্ৰৱেশ মুকলি কৰে। জনতাক সম্বোধন কৰি তেওঁ কয় যে, বিজেপি চৰকাৰৰ দিনত পাঁচ লক্ষাধিক লোকক চৰকাৰী ঘৰ প্ৰদান কৰাৰ লগতে খিলঞ্জীয়া লোকক ভূমিপট্টা প্ৰদান কৰা হৈছে। উত্তৰ-পূবত ১৮টা জলপথ মুকলি কৰা হৈছে বুলিও তেওঁ কয়। আনহাতে অনুষ্ঠানত তেওঁ স্বাস্থ্য প্ৰকল্পৰ অধীনত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় মুকলি কৰাৰ লগতে ডিমৌত ১০০ খন আসনযুক্ত চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয়, গুৱাহাটীৰ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানত ৰক্তজনিত কৰ্কট ৰোগ আৰু শিশুৰ কৰ্কট ৰোগৰ চিকিৎসাকেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰা হয়। হাইড্ৰ'কাৰ্বন প্ৰকল্পৰ অধীনত শ্ৰী মোদীয়ে বাৰাউনী-গুৱাহাটী প্ৰাকৃতিক গেছ পাইপ লাইন, নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপ লাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ আৰু দুলীয়াজানৰ ১ নম্বৰ পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ স্পাৰ লাইনৰ উদ্বোধন কৰে। তেওঁ ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ, গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ আৰু ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ কাৰ্যৰ আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে ৮১০ কোটি টকা ব্যয়সাপেক্ষে নিউ বঙাইগাঁও-গোৱালপাৰা-কামাখ্যা ৰে'ললাইনৰ দ্বৈতকৰণ, ধূপধৰা-ছয়গাঁও পথৰ দ্বৈতকৰণ আৰু ৫২০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা নিউ বঙাইগাঁও-ৰঙিয়া-আগিয়াঠুৰী দ্বৈতকৰণ, নিউ বঙাইগাঁও-সৰভোগ শাখাৰ ৰে'লপথৰ দ্বৈতকৰণ প্ৰকল্প উদ্বোধন কৰে। ইয়াৰ লগতে উত্তৰ-পূৰ্বাঞ্চলক দেশৰ অষ্টলক্ষ্মী হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে ৭৩ হাজাৰ কোটিৰো অধিক টকাৰ বিনিয়োগেৰে উত্তৰ-পূবত বিভিন্ন উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰা হয়।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি পুৱাই কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত জীপ আৰু হাতী ছাফাৰী কৰি উদ্যানখনৰ নৈসৰ্গিক শোভা উপভোগ কৰে। ৰাষ্ট্ৰীয় উদ্যানখন পৰিদৰ্শন কৰি প্ৰধানমন্ত্ৰীগৰাকীয়ে বন বিভাগৰ ৩৬ গৰাকী মহিলা বনকৰ্মীৰ সৈতে বাৰ্তালাপ কৰে।

কাজিৰঙাৰ পৰা প্ৰধানমন্ত্ৰীয়ে অৰুণাচল প্ৰদেশৰ ইটানগৰলৈ ৰাওনা হয়। তাত তেওঁ বিকশিত ভাৰত, বিকশিত উত্তৰ-পূব শীৰ্ষক অনুষ্ঠানত ভাগ লয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত ছেলা সুৰংগ ৰাষ্ট্ৰৰ নামত উচৰ্গা কৰাৰ লগতে প্ৰায় ১০ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ উন্নতি আঁচনিৰ শুভাৰম্ভ কৰে।

অৰুণাচলৰ প্ৰদেশৰ পৰা উভতি আহি প্ৰধানমন্ত্ৰীগৰাকীয়ে দুপৰীয়া যোৰহাটৰ হোলোঙাপথাৰত লাচিত বৰফুকন মৈদাম উন্নয়ন প্ৰকল্পৰ অধীনত আহোম ৰাজত্বকালৰ মহান যোদ্ধা তথা অসমীয়া জাতিৰ শৌৰ্য-বীৰ্য, সাহস আৰু প্ৰেৰণাৰ প্ৰতীক বীৰ লাচিত বৰফুকনৰ ৮৪ ফুট উচ্চতাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰে।

ooooo

বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ত আজিৰে পৰা ৰেডিঅ' বিষয়ক পাঠ্যক্ৰম আৰম্ভ কৰা হৈছে। প্ৰথমবাৰলৈ আৰম্ভ কৰা এই ছমহীয়া পাঠ্যক্ৰমত ছাত্ৰ-ছাত্ৰীসকলক ৰেডিঅ' সম্পৰ্কীয় ব্যৱহাৰিক পাঠদান প্ৰদান কৰা হ'ব। ছাত্ৰ-ছাত্ৰীসকলক শব্দৰ শুদ্ধ উচ্চাৰণ, শ্ৰোতাক আকৰ্ষণ কৰিব পৰাকৈ কথনশৈলী, অনুষ্ঠান উপস্থাপন আদিকে ধৰি আনুষংগিক বিষয়সমূহৰ ওপৰত প্ৰশিক্ষণ দিয়া হ'ব। পাঠ্যক্ৰমৰ উদ্বোধনী অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ অনুষ্ঠান শাখাৰ মুৰব্বী কাৰ্তিক সূত্ৰধাৰ, অনুষ্ঠান কাৰ্যবাহী চন্দ্ৰিমা শৰ্মাকে ধৰি ভালেসংখ্যক লোক উপস্থিত থাকে। উল্লেখযোগ্য যে মহাবিদ্যালয়খনৰ এটা নিজা এফ এম ষ্টেচনো আছে।

ooooo

তামুলপুৰৰ কাউলীত আজিৰে পৰা সাৰ্বজনীন অখণ্ড শ্ৰীশ্ৰী তাৰকব্ৰহ্ম মহানাম যজ্ঞ আৰু অষ্টকালীন লীলা কীৰ্তন আৰম্ভ হৈছে। এই উপলক্ষে আয়োজিত জলযাত্ৰা আৰু ধৰ্মীয় শোভাযাত্ৰা কাৰ্যসূচীত বিধায়ক জলেন দৈমাৰীৰ লগতে যথেষ্ট সংখ্যক লোকে পৰম্পৰাগত সাজপাৰ পৰিধান কৰি অংশগ্ৰহণ কৰে। অহা ১৩ মাৰ্চত এই অনুষ্ঠানৰ অন্ত পৰিব।

ooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত আসন্ন লোকসভা নিৰ্বাচন সন্দৰ্ভত  আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক পৰাগমণি আদিত্য আৰু প্ৰাণজিৎ শইকীয়া সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

ooooo

সমাপ্ত